**2018**

ASSAMESE

( Major )

Paper : 2.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) 'সন্ত-যশামৃত' পুথিখনৰ আন নাম কি ?

(খ) তুলসীদাসৰ 'ৰামচৰিতমানস'ৰ লংকাকাণ্ড অসমীয়ালৈ কোনে অনুবাদ কৰিছিল ?

(গ) বৰৰজা ফুলেশ্বৰী আৰু শিৱসিংহৰ আদেশত অনন্ত আচাৰ্যই ৰচনা কৰা পুথিখনৰ নাম কি ?

(ঘ) কিমান চনত অসমীয়া ভাষা পঢ়াশালি আৰু আদালতৰ পৰা অপসাৰিত কৰা হৈছিল ?

(ঙ) আনন্দৰাম ঢেকিয়ালফুকনে অসমীয়া ভাষাৰ বিষয়ে আলোচনা কৰা পুস্তিকাখনৰ নাম কি ?

(চ) এ. কে. গাৰ্নিয়ে ১৯০৫ চনত প্ৰকাশ কৰা মাহেকীয়া আলোচনীখনৰ নাম কি?

(ছ) 'চোৰাংচোৱাৰ চ'ৰা' কোনগৰাকী গল্পকাৰৰ গল্প সংকলন?

(জ) জনজাতীয় জীৱনক ভিত্তি কৰি ৰচিত প্ৰথমখন অসমীয়া উপন্যাসৰ নাম কি?

(ঝ) প্ৰথম অসমীয়া চনেট পুথি কোনে ৰচনা কৰিছিল?

(ঞ) 'আৱাহন' আলোচনীৰ প্ৰথমগৰাকী সম্পাদক কোন?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) 'দৰং ৰাজবংশাৱলী' নামৰ দৰং ৰজাসকলৰ বুৰঞ্জী পুথিখন কোনে, কাৰ আদেশত ৰচনা কৰিছিল?

(খ) যাদুৰাম ডেকাবৰুৱাই লিখা অভিধানখনৰ নাম কি? এইখন তেওঁ কাৰ হাতত অৰ্পণ কৰে?

(গ) কোনখন পুথিৰ বাবে আৰু কিমান চনত নলিনীবালা দেৱীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঘ) আধুনিক যুগৰ প্ৰথম জীৱনী গ্ৰন্থখনৰ নাম কি? এই গ্ৰন্থখনৰ লিখক কোন?

(ঙ) বীণা বৰুৱাৰ প্ৰকৃত নাম কি? তেওঁৰ এখন গল্পপুথিৰ নাম লিখা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভৱানীপুৰীয়া গোপাল আতাৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ নাটককেইখনৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া চুফীমূলক সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(গ) 'অৰুণোদয়' কাকতৰ প্ৰভাৱমুক্ত লেখকসকলৰ বিষয়ে চমুকৈ লিখা।

(ঘ) অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ (অ. ভা. উ. সা. সভা) উদ্দেশ্য সম্পৰ্কে লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ নাট্য-প্ৰতিভাৰ চমু আভাস দিয়া।

(চ) আৱাহন যুগৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? চমুকৈ আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ পৰিচয় দি তেওঁৰ সাহিত্যকৃতিৰ মূল্যায়ন কৰা।

(খ) উত্তৰ-শংকৰী যুগত অনুবাদ হোৱা পুৰাণসমূহৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(গ) চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ মাজত থকা বৈসাদৃশ্যসমূহ বিচাৰ কৰি এক আলোচনা দাঙি ধৰা।

(ঘ) 'ঊনবিংশ শতিকাৰ অসমীয়া উপন্যাস'—এই বিষয়ে এটি সমীক্ষা দাঙি ধৰা।

(ঙ) অসমীয়া ৰোমাণ্টিক কবিতাত পাশ্চাত্য প্ৰভাৱ বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা।

(চ) অসমীয়া চুটিগল্পৰ সমৃদ্ধি আৰু বিকাশত 'আৱাহন' কাকতৰ বৰঙণি সম্পৰ্কে বহলাই আলোচনা কৰা।

(ছ) আধুনিক অসমীয়া সাহিত্যৰ প্ৰাণ-প্ৰতিষ্ঠাত 'জোনাকী'ৰ ত্ৰিমূৰ্তিয়ে কিদৰে বৰঙণি যোগাইছিল, আলোচনা কৰা।

★ ★ ★